# পাঠ ঃ ১৪
# মধ্যযুগত ভাৰতবৰ্ষ

**মূল অৰ্হতা ঃ**

- মধ্যযুগৰ সময়ৰ লগত পৰিচয় হ'ব।
- ভাৰতবৰ্ষত তুৰ্কী-আফগানসকলে ৰাজনৈতিক শক্তিৰূপে প্ৰতিষ্ঠা লাভ কৰাৰ বিষয়ে জানিব।
- চুলতান আৰু মোগল ৰাজবংশত ৰাজত্ব কৰা শাসকসকলৰ বিষয়ে একাদিক্ৰমে জানিব।
- দিল্লীৰ চুলতান আৰু মোগলসকলৰ বিষয়ে জানিব পৰা ঐতিহাসিক সমলৰ বিষয়ে ধাৰণা লাভ কৰিব।
- মধ্যযুগত শাসন কৰা দিল্লীৰ চুলতান আৰু মোগলসকলৰ ৰাজত্ব কালত ভাৰতৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে অৱগত হ'ব।

ভাৰতবৰ্ষৰ ইতিহাসক তিনিটা যুগত ভাগ কৰা হৈছে। প্ৰাগৈতিহাসিক যুগৰ পৰা চুলতানসকলৰ আগমনৰ আগলৈ **প্ৰাচীন যুগ,** চুলতানসকলৰ আগমনৰ পৰা পলাশী যুদ্ধলৈকে **মধ্যযুগ** আৰু পলাশী যুদ্ধৰ পৰৱৰ্তী কালছোৱাক **আধুনিক যুগ** বুলি কোৱা হয়। কিছুমানে আকৌ প্ৰাচীন যুগক **হিন্দু যুগ** আৰু মধ্যযুগক **মুছলমান যুগ** বুলি ক'ব খোজে। আজি আমি এই পাঠত মধ্যযুগৰ ভাৰতবৰ্ষৰ বিষয়ে কিছু কথা জানিম।

ভাৰতবৰ্ষৰ লগত ইছলামপন্থীসকলৰ সম্বন্ধ আৰম্ভ হৈছিল তুৰ্কী-আফগানসকলৰ আগমনৰ লগে লগে। সেই সময়ছোৱাত মধ্য প্ৰাচ্যৰ আৰৱ দেশত ইছলাম ধৰ্মৰ অভ্যূদয় ঘটিছিল। সময়ত ইছলাম পন্থীসকলৰ সম্প্ৰসাৰণ আৰৱ দেশৰ পূব আৰু পশ্চিম দিশত বৃদ্ধি পাবলৈ ধৰে। এনেদৰে ভূমধ্য সাগৰৰ পৰা চীনদেশলৈকে ইছলামপন্থী মুছলমানসকলৰ প্ৰতিপত্তি ক্ৰমান্বয়ে বাঢ়িছিল। আৰবীয় সদাগৰসকলৰ লগতে ইছলাম ধৰ্মগুৰুসকলেও ভাৰতৰ পশ্চিম সীমান্তত ভৰি দিছিল। তাৰ ভিতৰত অষ্টম শতিকাত সিন্ধু অঞ্চলত ইছলামপন্থীসকলে চলোৱা অভিযান উল্লেখযোগ্য। এই অভিযানৰ পাছত প্ৰায় তিনিশ বছৰলৈকে আৰৱসকলে ভাৰতৰ কোনো ঠাই দখল কৰা নাছিল। কিন্তু আফগানিস্তানত গজনী ৰাজ্য স্থাপন হোৱাৰ পিছত সেই পৰিস্থিতিৰ পৰিৱৰ্তন ঘটিছিল। আনুমানিক ৯৬২ খ্ৰীষ্টাব্দত **আলপ্তগীন** নামৰ এজন তুৰ্কী ক্ৰীতদাস বিষয়াই আফগানিস্তানৰ **গজনীত** ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

আনুমানিক ৯৯৮ খ্ৰীঃত চুলতান মামুদ গজনীৰ সিংহাসনত বহে। চুলতান মামুদে সিংহাসনত বহিয়েই ভাৰতৰ প্ৰচুৰ ঐশ্বৰ্য-বিভূতিৰ কথা শুনি ভাৰত আক্ৰমণ কৰে। তেওঁ আনুমানিক ১০০০ খ্ৰীষ্টাব্দৰ পৰা ১০২৭ খ্ৰীষ্টাব্দৰ ভিতৰত মুঠতে সোতৰবাৰ ভাৰত আক্ৰমণ কৰিছিল। আনহাতে, তুৰ্কীসকলে আফগানিস্তানত গজনী ৰাজ্য স্থাপন কৰাৰ সময়ত তেওঁলোকৰ কেইজনমান বিষয়াই গজনী আৰু হিৰাটৰ মাজৰ ভূখণ্ডত **ঘোৰ** নামৰ এখন ৰাজ্য প্ৰতিষ্ঠা কৰে। চুলতান মামুদৰ মৃত্যুৰ পাছত ঘোৰ ৰাজ্যৰ শাসনকৰ্তা গিয়াছুদ্দিনে গজনী দখল কৰি ভায়েক চাহাবুদ্দিনক গজনীৰ চুলতান পাতে। চাহাবুদ্দিনেই ইতিহাসত **মহম্মদ ঘোৰী** নামেৰে পৰিচিত হয়।

চুলতান মামুদে বাৰে বাৰে কৰা আক্ৰমণৰ ফলত উত্তৰ-পশ্চিম ভাৰত ইতিমধ্যেই দুৰ্বল হৈ পৰিছিল আৰু সেই সুযোগতেই মহম্মদ ঘোৰীয়ে প্ৰায় ১১৮৯ খ্ৰীঃত পঞ্জাৱ দখল কৰি ভাৰত আক্ৰমণৰ পথ সুচল কৰি তোলে। মহম্মদ ঘোৰীয়ে ১১৯১ খ্ৰীঃত হোৱা প্ৰথম তৰাইনৰ যুদ্ধত চৌহান বংশীয় ৰাজপুত ৰজা পৃথ্বীৰাজৰ হাতত পৰাজয় বৰণ কৰে।

কিন্তু পাছৰ বছৰতেই তৰাইনৰ দ্বিতীয় যুদ্ধত তেওঁ পৃথ্বীৰাজক হৰুৱাই উত্তৰ-পশ্চিম ভাৰতত খোপনি পোতে। চুলতান মামুদৰ দৰে মহম্মদ ঘোৰীয়ে কেৱল ভাৰতৰ পৰা ধন-সম্পত্তি লৈ যোৱাত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে এই দেশত এখন তুৰ্কী সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈহে মন মেলিছিল। সেই উদ্দেশ্যৰেই মহম্মদ ঘোৰীয়ে তেওঁৰ সেনাপতি কুতুবুদ্দিন আইবাকৰ সহায়ত উত্তৰ ভাৰতৰ কেইবাখনো ৰাজ্য জয় কৰি ভাৰতত খোপনি পোতে। এনেদৰে মহম্মদ ঘোৰীয়ে নিজ সাম্ৰাজ্যৰ পৰিধি বৃদ্ধি কৰি নিজে দিল্লী আৰু আজমীৰত শাসন কৰিবলৈ লৈছিল।

আমাৰ এই ভাৰত ভূখণ্ডত কোন কোন তুৰ্কী চুলতান আৰু মোগল বাদছাহে শাসন কৰিছিল। তলৰ তালিকা-খনৰ পৰা তেওঁলোকৰ মাজৰ উল্লেখযোগ্য সকলৰ বিষয়ে জানিব পাৰিবাহক।

## দিল্লীৰ তুৰ্কী-আফগান চুলতানসকল

DAILY ASSAM

### দাস বংশ ১২০৬-১২৯০ খ্ৰীঃ

| | |
|---|---|
| কুতুবুদ্দিন আইবাক | ১২০৬-১২১০ খ্ৰীঃ |
| ইলটুতমিছ | ১২১০-১২৩৬ খ্ৰীঃ |
| চুলতানা ৰেজিয়া | ১২৩৬-১২৪০ খ্ৰীঃ |
| গিয়াছুদ্দিন বলবন | ১২৬৬-১২৮৭ খ্ৰীঃ |


ইলটুতমিছৰ সমাধি

### খিলিজি বংশ ১২৯০-১৩২০ খ্ৰীঃ

| | |
|---|---|
| জালালুদ্দিন খিলিজি | ১২৯০-১২৯৬ খ্ৰীঃ |
| আলাউদ্দিন খিলিজি | ১২৯৬-১৩১৬ খ্ৰীঃ |

### টোগলক বংশ ১৩২০-১৪১৪ খ্ৰীঃ

| | |
|---|---|
| গিয়াছুদ্দিন টোগলক | ১৩২০-১৩২৪ খ্ৰীঃ |
| মহম্মদ বিন টোগলক | ১৩২৪-১৩৫১ খ্ৰীঃ |
| ফিৰোজ ছাহ টোগলক | ১৩৫১-১৩৮৮ খ্ৰীঃ |


আলায় দৰৱাজা

### চৈয়দ বংশ ১৪১৪-১৪৫১ খ্ৰীঃ

| | |
|---|---|
| খিজ্‌ৰ খান | ১৪১৪-১৪২১ খ্ৰীঃ |

### লোডী বংশ ১৪৫১-১৫২৬ খ্ৰীঃ

| | |
|---|---|
| বাহলুল লোডী | ১৪৫১-১৪৮৯ খ্ৰীঃ |


গিয়াছুদ্দিন টোগলকৰ সমাধি

### মোগল বাদছাহসকল ১৫২৬-১৮৫৭ খ্ৰীঃ

| | |
|---|---|
| বাবৰ | ১৫২৬-১৫৩০ খ্ৰীঃ |
| হুমায়ুন | ১৫৩০-১৫৪০, ১৫৫৫-১৫৫৬ খ্ৰীঃ |
| আকবৰ | ১৫৫৬-১৬০৫ খ্ৰীঃ |
| জাহাংগীৰ | ১৬০৫-১৬২৭ খ্ৰীঃ |
| ছাহজাহান | ১৬২৭-১৬৫৮ খ্ৰীঃ |
| ঔৰংগজেব | ১৬৫৮-১৭০৭ খ্ৰীঃ |
| দ্বিতীয় বাহাদুৰছাহ | ১৮৩৭-১৮৫৭ খ্ৰীঃ |


লালকিল্লা

চুলতান আৰু মোগল ৰাজবংশৰ তালিকাখন মন কৰিলে স্পষ্টভাৱে বুজি পাবা যে দিল্লীত চুলতানী শাসন ১২০৬ খ্ৰীঃত দাসবংশৰ ৰাজত্বকালৰ পৰাই আৰম্ভ হৈছিল আৰু এই যুগৰ সামৰণি পৰিছিল ১৫২৬ খ্ৰীঃত লোডী বংশৰ পতনেৰে। আনহাতে ১৫২৬ খ্ৰীঃৰ পৰা মোগল শাসন আৰম্ভ হৈ ১৮৫৭ খ্ৰীঃত চিপাহী বিদ্ৰোহৰ সময়তে ইয়াৰ অন্ত পৰে।

আমি ইতিমধ্যেই জানিবলৈ পাইছো যে, মুছলমানসকলে উত্তৰ ভাৰতত প্ৰাধান্য বিস্তাৰ কৰাৰ লগতে ক্ৰমান্বয়ে ভাৰতৰ আন আন অংশও নিজৰ দখললৈ আনিছিল। মুছলমান শাসকসকলে ভাৰতবৰ্ষত কিদৰে ৰাজ্য বিস্তাৰ কৰিছিল, কি নীতি অৱলম্বন কৰি শাসন কাৰ্য চলাইছিল আদি কথাবোৰ আমি কিছুমান সমলৰ জৰিয়তে জানিব পাৰো। আহাচোন এই সমলবোৰ কি জানি লওঁ—

**জানি থওঁ আহা ঃ**

◎ ঔৰংগজেবৰ মৃত্যুৰ পিছত মোগল সাম্ৰাজ্য লাহে লাহে পতনমুখী হ'বলৈ ধৰিছিল। তেওঁৰ উত্তৰাধিকাৰীসকল দুৰ্বল আছিল। ঔৰংগজেবৰ পাছত ন গৰাকী মোগল সম্ৰাটে শাসন কাৰ্য চলাইছিল। শেষ মোগল সম্ৰাটগৰাকী আছিল দ্বিতীয় বাহাদুৰ ছাহ।

**সমলসমূহ ঃ**


মধ্যযুগৰ চুলতান আৰু মোগলসকলৰ শাসনৰ বিষয়ে জনাৰ সমলবোৰৰ ভিতৰত উল্লেখনীয় হৈছে বিভিন্ন লেখকৰ লিখনি, বিদেশী পৰিব্ৰাজকৰ টোকা, মুদ্ৰা আৰু স্মৃতিচিহ্নসমূহ। জীয়াউদ্দিন বৰানী, আমিৰ খশ্ৰু, বাবৰ, আবুল ফজল, গুলবদন বেগম আদিৰ লিখনিবোৰে মধ্যযুগৰ এখন স্পষ্ট ছবি আমাৰ আগত দাঙি ধৰে। ইয়াৰোপৰি বিদেশী পৰ্যটকসকলৰ ভিতৰত মৰক্কোৰ ইবনবটুতা, পাৰস্যৰ আব্দুৰ ৰজ্জাক, ইউৰোপৰ মাৰ্কো পলো, নিকলকণ্টি আদিৰ টোকাত তেওঁলোকৰ আগমনৰ সময়ত ভাৰত ভুখণ্ডত শাসন কৰা চুলতানসকলৰ সমাজ ব্যৱস্থা, আৰ্থিক অৱস্থা, ৰাজনৈতিক পৰিস্থিতি আদিৰ বিষয়ে বিতংকৈ জানিব পাৰি।



মুদ্ৰা

কাষত মধ্যযুগত প্ৰচলিত কিছুমান মুদ্ৰাৰ ছবি দিয়া হৈছে। প্ৰত্নতাত্ত্বিক সমলবোৰৰ ভিতৰত এই মুদ্ৰা হৈছে আন এক নিৰ্ভৰযোগ্য সমল। মধ্যযুগৰ এই উল্লেখনীয় সমলবোৰে আমাক প্ৰকৃত তথ্য দাঙি ধৰিব পাৰে। এই মুদ্ৰাবোৰৰ পৰা চুলতান বা বাদছাহসকলৰ নাম, ৰাজবংশৰ নাম, আনুমানিক সময় আদিৰ বিষয়ে সঠিককৈ জানিব পাৰি। খিলিজি বংশৰ চুলতান আলাউদ্দিন খিলিজিয়ে মুদ্ৰাত নিজৰ নাম খোদিত কৰাইছিল। মহম্মদ বিন টোগলকে নিজ সাম্ৰাজ্যত সোণ, ৰূপৰ মুদ্ৰাৰ সলনি ব্ৰোঞ্জৰ মুদ্ৰা প্ৰচলন কৰিছিল। আফগান ৰজা ছেৰছাহে ৰাষ্ট্ৰখনৰ অৰ্থনৈতিক ব্যৱস্থা সুস্থিৰ কৰিবলৈ সোণ, ৰূপ আৰু তাম এই তিনিওবিধ মুদ্ৰাৰ প্ৰচলন কৰিছিল।

এই সমলবোৰৰ উপৰি আন এবিধ উল্লেখনীয় সমল হৈছে তুৰ্কী-চুলতান তথা মোগল বাদছাহসকলৰ দিনত নিৰ্মিত বিভিন্ন মছজিদ আৰু স্মৃতি সৌধসমূহ। কাষৰ ছবিখনলৈ চোৱা। এইটো মধ্যযুগত নিৰ্মাণ কৰা এটা মছজিদৰ ছবি। এই মছজিদটো নিৰ্মাণ কৰা হৈছিল সম্ৰাট ছাহজাহানৰ পৃষ্ঠপোষকতাত। এনেবোৰ মছজিদ আৰু স্মৃতিসৌধসমূহে সেই সময়ৰ চুলতান-বাদছাহসকলৰ স্থাপত্য শিল্পৰ প্ৰতি থকা অনুৰাগৰ বিষয়ে উমান দিয়ে। কুতুবমিনাৰ, হুমায়ুনৰ সমাধি,



আগ্ৰাৰ জামে মছজিদ

তাজমহল, লালকিল্লা, জামে মছজিদ, বুলন্দ দৰৱাজা, পঞ্চমহল আদি মধ্যযুগৰ উল্লেখযোগ্য কীৰ্তিচিহ্ন।

**ক্ৰিয়াকলাপ ঃ**

- চুলতানী ৰাজত্ব কালৰ আৰু মোগল ৰাজত্ব কালৰ স্মৃতিচিহ্নসমূহৰ ছবি সংগ্ৰহ কৰি এটি এলবাম বনোৱা।

## ভৌগোলিক পটভূমি ঃ

### তুৰ্কী-আফগান ঃ

আমি ইতিমধ্যে জানিব পাৰিছোঁ যে প্ৰাচীন যুগৰ পাছত মধ্যযুগত ক্ৰমান্বয়ে ভাৰতবৰ্ষত তুৰ্কী-আফগান চুলতান আৰু মোগলসকলে শাসনকাৰ্য চলাইছিল। ভাৰতবৰ্ষত তুৰ্কী শাসকসকলে বৰ্তমান বিহাৰৰ পৰা পঞ্জাৱলৈ এখন বিস্তৃত সাম্ৰাজ্য প্ৰতিষ্ঠিত কৰিছিল। দাসবংশৰ প্ৰতিষ্ঠাতা কুতুবুদ্দিন আইবাকে তেওঁৰ সাম্ৰাজ্য উত্তৰ-পশ্চিম দিশৰ গজনীৰ পৰা আৰম্ভ কৰি বংগদেশলৈকে সম্প্ৰসাৰিত কৰিছিল। তেওঁ শাসনৰ মুখ্য কাৰ্যালয় লাহোৰত প্ৰতিষ্ঠা কৰিছিল। আইবাকৰ পৰৱৰ্তী চুলতান ইলটুতমিছেও তেওঁৰ সাম্ৰাজ্য মুলতান, সিন্ধু, আজমীৰ, গোৱালিয়ৰৰ পৰা কনৌজ, বাৰাণসীলৈকে বিস্তাৰিত কৰিছিল। চুলতানী আমোলৰ আন এজন চুলতান আলাউদ্দিন খিলিজিয়ে দ্বিতীয় আলেকজেণ্ডাৰ হোৱাৰ মানসেৰে এখন **একত্ৰ ভাৰত** ৰাষ্ট্ৰ গঢ়াৰ চেষ্টা কৰিছিল। সেই উদ্দেশ্যৰেই তেওঁ গুজৰাট, মালৱ, ৰাজস্থান আৰু দাক্ষিণাত্য জয় কৰি এখন বিশাল সাম্ৰাজ্যৰ গৰাকী হৈছিল। কাষৰ মানচিত্ৰখনলৈ মন কৰিলে তুৰ্কী-আফগানসকলৰ সাম্ৰাজ্যৰ বিস্তৃতিৰ উমান পোৱা যাব।




### মোগল ঃ

তুৰ্কী-আফগানসকলৰ দৰে মোগল বাদছাহসকলেও ভাৰতবৰ্ষত এক বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। বাবৰৰ দ্বাৰা প্ৰতিষ্ঠিত মোগল সাম্ৰাজ্যই আকবৰ আৰু ঔৰংগজেৱৰ দিনত ভাৰত ভূখণ্ডত এক বিশাল পৰিসীমা লাভ কৰিছিল। বাবৰে নিজ সাম্ৰাজ্যৰ পৰিসৰ কাবুল-কান্দাহাৰৰ পৰা আৰম্ভ কৰি হিন্দুকুশ পৰ্বতমালাৰ পৰা বিহাৰলৈকে অৰ্থাৎ সমগ্ৰ উত্তৰ ভাৰতলৈ বৃদ্ধি কৰিছিল। বাবৰৰ দৰে আকবৰেও ভাৰতবৰ্ষৰ এক বিশাল ভূখণ্ড দখল কৰাৰ উপৰি সিন্ধু, বেলুচিস্তান, কাবুল, কাশ্মীৰ আদি অধিকাৰ কৰিছিল। ঠিক তেনেদৰে ঔৰংগজেৱৰ দিনতো মোগল সাম্ৰাজ্যৰ বিস্তৃতি বিজাপুৰ,

গোলকুণ্ডাকে আদি কৰি সুদূৰ কৰ্ণাটকলৈকে বিয়পি পৰিছিল। এনেদৰেই তুৰ্কী-আফগানসকলে উত্তৰ-পশ্চিম ভাৰতত স্থাপন কৰা ৰাজ্যখনে মোগলৰ ৰাজত্বকালত সমগ্ৰ উত্তৰ, দক্ষিণ, পুব আৰু পশ্চিম ভাৰতবৰ্ষলৈ বিস্তৃতি লাভ কৰিছিল।

এনেদৰে তুৰ্কী-আফগানসকলৰ পাঁচটা ৰাজবংশৰ কেইবাজনো উল্লেখযোগ্য চুলতান আৰু ১৫ জন মোগল সম্ৰাটে ৬৫০ বছৰৰো অধিক কাল ভাৰতবৰ্ষত শাসন কৰিছিল। তেওঁলোকৰ শাসনকালত ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক, সাহিত্য-সংস্কৃতি, শিল্পকলা, চিত্ৰকলা আদি দিশত নতুন যুগৰ সূচনা হৈছিল। এই বিষয়ে পৰৱৰ্তী পাঠত বিতংকৈ জানিব পাৰিবা।

**মনত ৰাখিবলগীয়া কথা ঃ**

- ভাৰতৰ ইতিহাসক তিনিটা যুগত ভাগ কৰা হৈছে, যেনে— প্ৰাচীন যুগ, মধ্যযুগ আৰু আধুনিক যুগ।
- গজনীৰ চুলতান মামুদে সোতৰ বাৰ ভাৰত আক্ৰমণ কৰিছিল।
- তৰাইনৰ দ্বিতীয় যুদ্ধত ৰাজপুত ৰজা পৃথ্বীৰাজক হৰুৱাই মহম্মদ ঘোৰীয়ে উত্তৰ-পশ্চিম ভাৰতবৰ্ষত খোপনি পোতে।
- বিভিন্ন সমলৰ পৰা মধ্যযুগৰ বিষয়ে জানিব পৰা যায়। এই সমলবোৰৰ ভিতৰত বিভিন্ন লেখকৰ লিখনি, পৰিব্ৰাজকৰ টোকা, মুদ্ৰা, স্মৃতিচিহ্ন আদি উল্লেখযোগ্য।
- তুৰ্কী-আফগানসকলৰ পাঁচটা ৰাজবংশই ভাৰতত শাসনকাৰ্য চলাইছিল।
- ঔৰংগজেৱৰ মৃত্যুৰ পিছতেই মোগল সাম্ৰাজ্যৰ পতন আৰম্ভ হয়।
- ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক, সাহিত্য-সংস্কৃতি, শিল্পকলা, চিত্ৰকলা আদি দিশত তুৰ্কী-আফগান আৰু মোগলসকলে প্ৰভূত বৰঙণি যোগাইছিল।

## অনুশীলনী

১। উত্তৰ দিয়া—

(ক) ভাৰতবৰ্ষৰ ইতিহাসক কেইটা ভাগত ভাগ কৰা হৈছে? এই ভাগকেইটা কি কি?

(খ) চুলতান মামুদে কি কাৰণে বাৰে বাৰে ভাৰত আক্ৰমণ কৰিছিল?

(গ) তৰাইনৰ দ্বিতীয় যুদ্ধ কেতিয়া হৈছিল?

(ঘ) গজনী ৰাজ্য ক'ত প্ৰতিষ্ঠিত হৈছিল?

(ঙ) মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা কোন আছিল?

(চ) মোগলসকলৰ শেষ বাদছাহজনৰ নাম কি আছিল?

২। শুদ্ধ/অশুদ্ধ বাছি উলিওৱা—

(ক) ভাৰতবৰ্ষত/আৰৱদেশত ইছলাম ধৰ্মৰ অভ্যুদয় হৈছিল।

(খ) আলপ্তগীনে/চুলতান মামুদে আফগানিস্তানৰ গজনীত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

(গ) বাবৰ/আকবৰ মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা।

(ঘ) লোডী বংশ/চৈয়দ বংশ চুলতানী আমোলৰ শেষ ৰাজবংশ।

(ঙ) কুতুবুদ্দিন আইবাকে দিল্লীৰ/লাহোৰৰ পৰা শাসনকাৰ্য চলাইছিল।

৩। খালী ঠাই পূৰ কৰা—

(ক) গিয়াছুদ্দিন বলবন __________ বংশৰ ৰজা আছিল।

(খ) জালালুদ্দিন খিলিজি __________ বংশৰ প্ৰতিষ্ঠাতা।

(গ) ইবনবটুতা এগৰাকী __________ আছিল।

(ঘ) __________ নামৰ এজন তুৰ্কী ক্ৰীতদাসে গজনীত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

(ঙ) চাহাবুদ্দিন ইতিহাসত __________ নামে জনাজাত।

৪। পাঠৰ আলমত তলৰ তালিকাখন পূৰ কৰা—

| তিনিজন বিদেশী পৰিব্ৰাজকৰ নাম | তিনিটা স্মৃতিচিহ্নৰ নাম | তিনিজন লিখকৰ নাম |
|---|---|---|
| | | |

৫। মানচিত্ৰ চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া—

(ক) চুলতানী শাসনৰ অধীনস্থ চাৰিখন উত্তৰ ভাৰতৰ আৰু চাৰিখন দক্ষিণ ভাৰতৰ ঠাইৰ নাম লিখা।

(খ) মানচিত্ৰত দেখুওৱা স্বাধীন ৰাজ্যকেইখনৰ নাম উল্লেখ কৰা।

(গ) ঝীলাম, শতদ্ৰু, নৰ্মদা, তাপ্তী, গংগা, গোদাবৰী নৈবোৰ কোন কোন ৰাজ্যৰ মাজেৰে বৈ গৈছে? উল্লেখ কৰা।